**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-05-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

## *HEADLINES*

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আবুধাবিত সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি শ্বেইখ মহম্মদ বিন জায়দ অল নাহ্য়ানৰ সৈতে বৈঠকত মিলিত হয়।

২। অহা ২১ জুনত চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰমত নামভৰ্তিৰ ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণ তথা প্ৰৱেশ পৰীক্ষা, NEET পুনৰ অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছে।

৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কয়, যে ভাৰতে সংস্কাৰ আৰু বহু ৰাষ্ট্ৰবাদৰ লক্ষ্যক আগুৱাই লৈ যোৱাৰ বাবে অংশীদাৰসমূহৰ সৈতে কাম কৰি যাবলৈ প্ৰতিশ্ৰুতিবদ্ধ।

৪। কেন্দ্ৰীয় মন্ত্ৰী ৰাম মোহন নাইডুৱে মধ্য প্ৰদেশত বিমান পৰিবহন সুচল কৰাৰ বাবে আন্তঃগাঁথনি নিৰ্মাণৰ ক্ষেত্ৰত মন্ত্ৰালয়ৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা উল্লেখ কৰে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাই ছুপাৰ কিংছ, লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আবুধাবিত সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি শ্বেইখ মহম্মদ বিন জায়দ অল নাহ্য়ানৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত শক্তি সহযোগিতা আৰু দ্বিপাক্ষিক বাণিজ্যৰ বিষয়ক অগ্ৰাধিকাৰ দিয়া হয়। দুয়োগৰাকী নেতাই বিভিন্ন দ্বিপাক্ষিক বিষয় বিশেষকৈ শক্তি সহোগিতা, পাৰস্পৰিক স্বাৰ্থ জড়িত আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয়লৈ মত বিনিময় কৰে। তেওঁলোকে লগতে শক্তিশালী ৰাজনৈতিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু জনসম্পৰ্কত বিশেষ গুৰুত্ব আৰোপেৰে দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সৰ্বাত্মক কৌশলগত সহযোগিতাক আগুৱাই নিয়াৰ বিভিন্ন উপায় সম্পৰ্কেও আলোচনা কৰে।

উল্লেখযোগ্য যে শক্তি খণ্ড হৈছে দুয়োখন দেশৰ মাজৰ সম্পৰ্কৰ এটা গুৰুত্বপূৰ্ণ স্তম্ভ। সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰ যোৱা বছৰ ভাৰতৰ বাবে খাৰুৱা তেলৰ চতুৰ্থ সৰ্ববৃহৎ উৎস আছিল আৰু দেশখনৰ পৰা আমদানি কৰা তেলেৰে ভাৰতৰ প্ৰায় ১১ শতাংশ চাহিদা পূৰণ হৈছিল। ভাৰতীয় কোম্পানীসমূহে আবুধাবি নেচনেল অইল কোম্পানীৰ সৈতে বছৰি প্ৰায় ৪৫ লাখ মেট্ৰিকটন তৰলিকৃত প্ৰাকৃতিক গেছ, এল এন জিৰ দীৰ্ঘকালীন চুক্তিত স্বাক্ষৰ কৰিছে। দেশক প্ৰয়োজন হোৱা এল পি জিৰ প্ৰায় ৪০ শতাংশ সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰৰ পৰা আমদানি কৰা হয়।

সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰ, নেডাৰলেণ্ডছ, নৰ'ৱে আৰু ইটালীৰ ছদিনীয়া ভ্ৰমণসূচীৰে আজি পুৱা স্বদেশৰ পৰা ৰাওনা হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত নেদাৰলেণ্ডলৈ যাব আৰু তাত

তেওঁ দেশখনৰ ৰজা উইলেম আলেকজেণ্ডাৰ আৰু ৰাণী মেক্সিমাক সাক্ষাৎ কৰিব। তেওঁ লগতে নেদাৰলেণ্ডৰ প্ৰধানমন্ত্ৰী ৰব জেটেনৰ সৈতেও বৈঠকত মিলিত হ'ব। ইয়াৰ পাছত তেওঁ ছুইডেনৰ গোথেনবাৰ্গলৈ যাব আৰু দেশখনৰ প্ৰধানমন্ত্ৰী ওল্ফ কিষ্টাৰছনৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সম্পৰ্ক পৰ্যালোচনা কৰাৰ লগতে সহযোগিতাৰ নতুন নতুন খণ্ডৰ বিষয়ত আলোচনা কৰিব। শ্ৰী মোদীয়ে ১৮ মে'ত নৰৱে ভ্ৰমণ কৰিব। তাত তেওঁ তৃতীয় ভাৰত-নৰ্ডিক সন্মিলনত অংশ লোৱাৰ লগতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। ভ্ৰমণৰ অন্তিম পৰ্যায়ত তেওঁ ইটালীলৈ যাব আৰু তাত তেওঁ দেশখনৰ ৰাষ্ট্ৰপতি ছাৰ্জিঅ' মেটাৰেলাক সাক্ষাৎ কৰাৰ লগতে প্ৰধানমন্ত্ৰী জৰ্জিয়া মেলনিৰ সৈতে আলোচনাত মিলিত হ'ব। ভাৰত আৰু ইটালীৰ মাজত যুটীয়া কৌশলগত কাৰ্য আঁচনি, ২০২৫-২০২৯ সক্ৰিয়ভাৱে ৰূপায়ণৰ দিশত দেশ দুখনৰ দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী মোদীৰ ভ্ৰমণে বিশেষ গুৰুত্ব বহন কৰিব।

0000000

কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে ছাত্ৰ-ছাত্ৰীসকলক চৰকাৰে অগ্ৰাধিকাৰ দিয়ে আৰু তেওঁলোকক লৈ চৰকাৰ অতি সংবেদনশীল বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি এখন সংবাদমেলত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই অহা ২১ জুনত চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰমত নামভৰ্তিৰ ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণ তথা প্ৰৱেশ পৰীক্ষা, NEET পুনৰ অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছে। পৰীক্ষাৰ্থীসকলে অহা ১৪ জুনৰ ভিতৰত প্ৰৱেশপত্ৰ লাভ কৰিব বুলি তেওঁ জানিবলৈ দিয়ে। অহা বছৰৰ পৰা NEET পৰীক্ষা বৰ্তমানৰ অ' এম আৰ ব্যৱস্থাৰ পৰিৱৰ্তে চি বি টি অৰ্থাৎ কম্পিউটাৰ আধাৰিত ব্যৱস্থাৰে অনুষ্ঠিত হ'ব।

(বাইট)

কেন্দ্ৰীয় শিক্ষামন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাত নিৰ্দিষ্ট সংস্কাৰৰ প্ৰয়োজন বুলি স্বীকাৰ কৰি কয়, যে ভৱিষ্যতে আঁসোৱাহসমূহ দূৰ কৰি পৰীক্ষা ব্যৱস্থা নিৰ্ভৰযোগ্য কৰি তোলাৰ ক্ষেত্ৰত পদক্ষেপ লোৱা হৈছে। শ্ৰী প্ৰধানে উল্লেখ কৰে যে শিক্ষা মাফিয়াৰ ষড়যন্ত্ৰ অথবা প্ৰাৰ্থীৰ প্ৰৱঞ্চনাৰ বলি হৈ কোনো যোগ্য শিক্ষাৰ্থী তেওঁলোকৰ অধিকাৰৰ পৰা বঞ্চিত হোৱাটো চৰকাৰে নিবিচাৰে।

(বাইট)

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই পৰীক্ষাৰ্থীসকলক কেৱল তেওঁলোকৰ দ্বাৰা প্ৰকাশিত তথ্যৰ ওপৰতহে নিৰ্ভৰ কৰিবলৈ আহ্বান জনাইছে। ইয়াৰ পূৰ্বে যোৱা ৩ মে'ত প্ৰশ্নকাকত ফাদিল হোৱাৰ বাবে NEET বাতিল কৰা হৈছিল।

উল্লেখযোগ্য যে NEETৰ প্ৰস্তুতিৰ পৰ্যালোচনা চলোৱাৰ উদ্দেশ্যে কালি কেন্দ্ৰীয় শিক্ষামন্ত্ৰীগৰাকীৰ বাসগৃহত এখন উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হয়। বৈঠকত পৰীক্ষা সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বিভিন্ন দিশ সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰা হয়। বৈঠকত উচ্চশিক্ষা বিভাগৰ সচিব, বিদ্যালয় শিক্ষা বিভাগৰ সচিব, ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাৰ সঞ্চালক প্ৰধান, চি বি এছ ইৰ অধ্যক্ষ আৰু কেন্দ্ৰীয় বিদ্যালয় সংগঠন আৰু নৱোদয় বিদ্যালয়ৰ আয়ুক্তৰ লগতে অন্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

000000000

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে কয়, যে ভাৰতে সংস্কাৰ আৰু বহু ৰাষ্ট্ৰবাদৰ লক্ষ্যক আগুৱাই লৈ যোৱাৰ বাবে অংশীদাৰসমূহৰ সৈতে কাম কৰি যাবলৈ প্ৰতিশ্ৰুতিবদ্ধ। নতুন দিল্লীত অনুষ্ঠিত

ব্ৰিক্স বৈদেশিক মন্ত্ৰীসকলৰ বৈঠক ২০২৬ৰ দ্বিতীয় দিনাৰ মুকলি অধিৱেশনত অংশগ্ৰহণ কৰি ড০ জয়শংকৰে এই কথা প্ৰকাশ কৰে। পৰিৱৰ্তিত বিশ্বত সময়ৰ সৈতে আগবাঢ়ি যাবলৈ নেতাসকলে বহুৰাষ্ট্ৰীয় সহযোগিতা শক্তিশালী কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে। ড০ জয়শংকৰে কয়, যে আন্তঃৰাষ্ট্ৰীয় বিত্তীয় পৰিকাঠামোৰ সংস্কাৰ সাধন কৰাটো অতি প্ৰয়োজনীয়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতে বহুপক্ষীয়বাদৰ সংস্কাৰৰ বাবে ধাৰাবাহিকভাৱে মাত মাতি আহিছে আৰু ইয়ে শেহতীয়া বাস্তৱ পৰিস্থিতি প্ৰতিফলিত কৰাৰ লগতে বজাৰ আৰু উন্নয়নশীল দেশসমূহৰ আকাংক্ষাৰ প্ৰতি সহাঁৰি জনাইছে। তেওঁ কয়, যে গোলকীয় প্ৰত্যাহ্বানসমূহৰ সৈতে মোকাবিলা কৰিবলৈ প্ৰতিখন দেশেই ঐক্যবদ্ধ হৈ কাম কৰিব লাগিব। কিন্তু দেশসমূহৰ এই ঐক্যবদ্ধ প্ৰচেষ্টা অধিক গণতান্ত্ৰিক, প্ৰতিনিধিত্বমূলক আৰু সমতাপূৰ্ণ হোৱাৰ ক্ষেত্ৰত মন্ত্ৰীগৰাকীয়ে গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে কয়, যে এই সংস্কাৰিত বহুপক্ষবাদ প্ৰতিখন ৰাষ্ট্ৰৰ সাৰ্বভৌমত্ব, ভূ-খণ্ডৰ প্ৰতি সন্মান, আন্তঃৰাষ্ট্ৰীয় আইনৰ প্ৰতি আনুগত্য আৰু বৈচিত্ৰময় জাতীয় পৰিস্থিতিৰ স্বীকৃতিৰ ভিত্তিত হ'ব লাগিব।

০০০০০০০০০

কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহন মন্ত্ৰী ৰাম মোহন নাইডুৱে মধ্য প্ৰদেশৰ মুখ্যমন্ত্ৰী ড০ মোহন যাদৱক নতুন দিল্লীত সাক্ষাৎ কৰে। এটা বাৰ্তাত শ্ৰী নাইডুৱে কয়, যে ৰাজ্যখনৰ উন্নয়নৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিবলগীয়া বিষয়সমূহ সন্দৰ্ভত তেওঁলোকৰ মাজত আলোচনা হয়। মধ্য প্ৰদেশত বিমান পৰিৱহন সুচল আৰু শক্তিশালী কৰি তোলাৰ বাবে আন্তঃগাঁথনি নিৰ্মাণৰ ক্ষেত্ৰত মন্ত্ৰালয়ৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা শ্ৰীনাইডুৱে উল্লেখ কৰে। সকলোৰে বাবে বিমান যোগাযোগ উন্নত কৰি তোলাৰ বাবে বিমান খণ্ডৰ সামগ্ৰিক বিকাশ সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ যি লক্ষ্য, সেই লক্ষ্য বাস্তৱত ৰূপায়ন কৰা হ'ব বুলিও বিমান পৰিৱহন মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে আজি নতুন দিল্লীত ইৰানৰ বিদেশ মন্ত্ৰী আববাছ আৰঘ্‌চিৰ সৈতে বৈঠকত মিলিত হয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড° জয়শংকৰে কয়, যে দুয়োগৰাকী নেতাই পশ্চিম এছিয়াৰ পৰিস্থিতি আৰু ইয়াৰ প্ৰভাৱ সন্দৰ্ভত আলোচনা কৰে। তেওঁলোকে লগতে পাৰস্পৰিক স্বাৰ্থ সম্বলিত দ্বিপাক্ষিক বিষয়ত মত বিনিময় কৰে। ড° জয়শংকৰে লগতে ব্ৰিকছ্ বৈদেশিক মন্ত্ৰীসকলৰ বৈঠকত অংশগ্ৰহণৰ বাবে ইৰানৰ বিদেশ মন্ত্ৰীগৰাকীৰ শলাগ লয়।

০০০০০০০০০

জ্যেষ্ঠ বিজেপি নেতা তথা নৱনিৰ্বাচিত বিধায়ক চন্দ্ৰমোহন পাটোৱাৰীয়ে আজি অসম বিধানসভাৰ অস্থায়ী অধ্যক্ষ হিচাপে শপতগ্ৰহণ কৰে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই লোক ভৱনত আয়োজিত এটা অনুষ্ঠানত শ্ৰী পাটোৱাৰীক শপতবাক্য পাঠ কৰোৱায়। ৰাজ্যপালে কালি বিধায়ক চন্দ্ৰমোহন পাটোৱাৰীক ষোড়শ অসম বিধানসভাৰ অস্থায়ী অধ্যক্ষ হিচাপে নিযুক্তি দিয়ে। স্থায়ী অধ্যক্ষ নিৰ্বাচিত নোহোৱা পৰ্যন্ত অস্থায়ী অধ্যক্ষগৰাকীয়ে সদনৰ কামকাজ পৰিচালনা কৰিব। উল্লেখযোগ্য যে অহা ২১ মে'ত আৰম্ভ হ'বলগীয়া ষোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ প্ৰথম দিনা অস্থায়ী অধ্যক্ষগৰাকীয়ে নৱনিৰ্বাচিত বিধায়কসকলক পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱাব। ইয়াৰ পাছতে বিধানসভাৰ নতুন অধ্যক্ষ নিৰ্বাচন কৰা হ'ব। শাসকীয় বিজেপিয়ে বিধানসভাৰ পৰৱৰ্তী অধ্যক্ষ হিচাপে ভৱানীপুৰ-সৰভোগ সমষ্টিৰ বিধায়ক ৰঞ্জিত দাসক মনোনীত কৰিছে।

০০০০০০০০

আই পি এল ক্রিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ, লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়াৰ চাৰে ৭ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাত যোৱা নিশা হিমাচল প্ৰদেশৰ ধৰমশালাত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে পাঞ্জাব কিংছক ছয় উইকেটত পৰাস্ত কৰে।

০০০০০০০

সমাপ্ত